بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ১০ আগষ্টত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আলহামদু লিল্লাহ, যোৱা দেউবাৰে আল্লাহ তায়লাৰ বিস্তাৰিত কল্যাণ আৰু তাৰ কৃপা বখানি বৃটেইনৰ বছৰেকীয়া জলছাৰ অন্ত পৰিছে। যোৱা সেই তিনিটা দিন বৰ বৰকতময় আছিল। হুযুৰ (আইঃ) য়ে কয় যে এতিয়া মই কিছুমান অতিথিবৃন্দৰ মুল্যবান মন্তব্য আপোনালোকলৈ আগবঢ়াম, যি বোৰৰ পৰা স্পষ্ট হৈছে যে এই জলছাৰ বৰকতৰ প্ৰভাৱ কিমানদুৰ বেলেগৰ ওপৰত পৰিছে।

বেনিনৰ এজন অতিথি, ৰিলণ্টিন হুদ চাহাব, বৰ্তমানে বেনিনৰ সংসদৰ সদস্য আৰু আঠ বছৰকাল মন্ত্ৰীও আছিল, আমাৰ জলছাত যোগদান কৰিছিল। তেখেতে প্ৰকাশ কৰিছে যে, মই এই জলছাৰ পৰা সেয়া আহৰণ কৰিছো যি মই বহু ধন খৰচ কৰিও অৰ্জন কৰিব নোৱাৰিলোহেঁতেন। এটা শান্তিময় আৰু পূৰ্ণ আধ্যাত্মিক পৰিবেশ আছিল, য'ত মই থাকিবলৈ সুবিধা পাইছিলো। আজিলৈকে মই ইমান শৃংখলাপূৰ্ণ ইজতেমা দেখি পোৱা নাই, য'ত চল্লিছ হাজাৰ লোক অংশ গ্ৰহন কৰিছিল। বিভিন্ন সম্প্ৰদায় আৰু ৰং, বংশ আদিৰ লোকে আহি সমবেত হৈছে অথচ কোনো ধৰণৰ লড়াই কাজিয়া নাই, প্ৰত্যেকেই বেলেগৰ পৰিচৰ্যাত ব্যাস্ত। সৰু, ডাঙৰ, ল'ৰা, বুঢ়া, গাভৰু সকলোৱে উত্তম চাৰিত্ৰিক আচৰণেৰে বেলেগৰ আৰামৰ নিমিত্তে কাম কৰি আছে। মোৰ বাবে এয়া বৰ আচৰিতজনক কথা যে ইমান ডাঙৰ জন সমাগমত কোনো পুলিচ মিলিটাৰী দেখিবলৈ পোৱা নাই, চাৰিওফালে কেৱল জমাত আহমদীয়াৰ স্বেচ্ছাকৰ্মী সকলক কাম কৰি থকা দেখিবলৈ পাইছো। মই ভাৱি আছো আজিৰ যুগত নিস্বাৰ্থ আৰু বিনামূলীয়া ভাৱে কাম কৰাটো কেনেকৈ সম্ভৱ হ'ব পাৰে। অৱশেষত মই ভাৱি-ভাৱি এটা ফলা-ফল উলিয়াইছোঁ যে এই বোৰ সকলো জমাত আহমদীয়াতত খিলাফতৰ নেতৃত্বত সম্ভৱ হৈছে। মই কব পাৰো যে জমাত আহমদীয়াই যি ইছলাম জগতক আগবঢ়াই আছে আৰু যি ধৰণে নিজৰ সদস্য বৃন্দক শিক্ষা বিধান দি আছে ইয়াৰ দ্বাৰা জগতখন অতি সোনকালেই আহমদীয়তৰ মাজত প্ৰবেশ কৰিব। উক্ত জলছাৰ এটা সুন্দৰ স্মৃতি লৈ লণ্ডনৰ পৰা নিজ দেশলৈ ঘুৰি গৈ আছো। মোৰ বাবে এই ক্ষণিক সময়খিনি বৰ্ণনাতীত।

বেনিনৰ আন এজন অতিথি আছিল চিয়ানু পাছকেল চাহাব। তেওঁ প্লানিং ডিপাৰ্টমেণ্টৰ এজন উচ্চ পৰ্যায়ৰ বিষয়া, তেওঁ কয় যে, মই বহুত সভা-সমিতি দেখিছোঁ কিন্তু আপোনালোকৰ এই জলছাৰ দৰে মনোমোহা আৰু সফল জলছা মই আগতে কতো, দেখা নাই। উক্ত জলছাৰ কৰ্মীবৃন্দই নিজৰ নিজৰ দায়িত্ব বৰ শৃংখলাপূৰ্ণ ভাৱে পালন কৰিছে। চল্লিছ হাজাৰ লোকক খাদ্য পৰিবেশন কৰা সাধাৰণ কথা নহয়। কিন্তু আটাইতকৈ আচৰিত কথা হ'ল এই খাদ্য দ্ৰব্য, আহাৰ আদি ৰন্ধা আৰু পৰিবেশন কৰোতাঁ সকল, স্বেচ্ছাকৰ্মী যদি গোটেই পৃথিৱীখনত এনেদৰে আগ্ৰহৰ সৈতে কাম সম্পাদন কৰা হয়, তেন্তে মই নিশ্চয়তাৰে কব পাৰো যে পৃথিবী খনৰ পৰা, যুদ্ধ-বিগ্ৰহ দুৰীভূত হৈ যাব আৰু মানৱ জাতিৰ সকলো সমস্যাৰ অন্ত পৰিব। মই জমাত আহমদীয়াৰ শলাগ নলৈ থাকিব নোৱাৰোঁ, ইয়াৰে ল'ৰা, বুঢ়া, ডেকা গাভৰু সকলোৱে মানোগ্ৰাহী সুশৃংখল আৰু পবিত্ৰ লোক। হাইটিৰ প্ৰেছিডেণ্টৰ এজন প্ৰতিনিধি যোজফ পীৰ চাহাব কয় যে, এই জলছাখন মোৰ জীৱণৰ এটা ডাঙৰ অভিজ্ঞতা, যি মই কেতিয়াও অস্বীকাৰ কৰিব নোৱোৰোঁ। জলছাৰ কৰ্মীবৃন্দৰ অতুলনীয় সেৱা, শ্ৰম আৰু কাৰুকাৰ্য্যই মোৰ দৃষ্টি বাৰুকৈয়ে আকৰ্ষণ কৰিছে। বৰং মোৰ ইছলাম সম্পৰ্কে থকা ধাৰণাৰ সলনি ঘটিইছে।

আইভৰিকোষ্টৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰপতি তমৰিল চাহাব এই জলছাত যোগদান কৰিছিল। তেওঁ আইভৰিকোষ্টৰ ন্যাশ্বনাল কনষ্টিটিউশ্বন্যাল, কাউন্সিলৰ উপদেষ্টাও, তেওঁ কয় যে, মই এজন মুছলমান, যোৱা বিছ বছৰ ধৰি বিভিন্ন ইছলামী ফিৰকাৰ ধৰ্মীয় প্ৰোগ্ৰামত যোগদান কৰি আছো, কিন্তু বিগত বিছটা বছৰত মই ইছলামৰ বিষয়ে সেই জ্ঞান অৰ্জন কৰিব পৰা নাই যিখিনি মই এই জলছাৰ তিনিটা দিনত লাভ কৰিব পাৰিছোঁ। বিগত এই তিনিটা দিনত মই আধ্যাত্মিক ক্ষেত্ৰত

যিখিনি উন্নতি লাভ কৰিব পাৰিছোঁ, সেয়া যোৱা বিছ বছৰতও কৰিব পৰা নাছিলোঁ। তেওঁ আৰু কয় যে, অ-আহমদী উলামা সকলৰ জুলিত একোৱে নাই। ইছলাম সম্পৰ্কে যদি কোনোবাই প্ৰকৃত শিক্ষা লাভ কৰিব বিচাৰে তেন্তে তেওঁ জমাত আহমদীয়াৰ সান্নিধ্যলৈ আঁহক।

জাপানৰ পৰা অহা দলৰে এজনী মহিলা ইউকিকো কুণ্ডু চাহিবায় কয় যে, মহিলা সকললৈ দিয়া হুযুৰৰ (ইমাম জমাত) ভাষণৰ পৰা গম পোৱা যায় যে ইমাম জমাতৰ উপদেশ সমুহ সেই প্ৰটেকচন, যাৰ জৰিয়তে আহমদীয়ত উন্নতি লাভ কৰি আছে। সম্প্ৰদায় সমুহক একত্ৰিকৰণ আৰু যান্ত্ৰিক জগতৰ পৰা বাহিৰ ওলাবলৈ, সচাঁকৈয়ে এতিয়া পৃথিৰীত অতি প্ৰয়োজন হৈ পৰিছে। তাই কয় যে আমি এয়া চিন্তা কৰি আঁছো যে সেয়া কোনটো শক্তি যিয়ে জমাত আহমদীয়াৰ সদস্য বৃন্দৰ মাজত ধৰ্মীয় খিদমতৰ আবেগ অনুভূতি সঞ্চয় কৰি ৰাখিছে। এই প্ৰশ্নটো আমাৰ মগজুত বাৰে-বাৰে পাক খাই গৈছিল কিন্তু জলছাৰ তিনিটা দিনৰ প্ৰথম দিনা দোৱাৰ মাজত অংশলৈ আৰু ইমাম জমাতৰ উপদেশ শুনি, বিশ্বাস জন্মিছে যে দোৱা হ'ল সেই শক্তি যিয়ে জমাত আহমদীয়াক হজতৰ মাজত এটা বৈচিত্ৰতাৰ জন্ম দি আছে। জলছাত আমি বাৰে-বাৰে দোৱা কৰাৰ সুযোগ লাভ কৰিছোঁ আৰু দোৱাৰ পিছত আমি অনুভৱ কৰিছোঁ যে আমাৰ হৃদয় সজীৱ আৰু আমাৰ আত্মায় এটা প্ৰশান্তি লাভ কৰিছে।

জাপানৰ আন এজন অতিথি নশিদা চাহাব, যি জন বুদ্ধ ধৰ্মৰ মুখ্য প্ৰিষ্ট, তেওঁ কয় যে; বয়াতৰ অনুষ্ঠান চাই উপলব্ধি কৰিব পাৰিছো যে আমাৰ এজন খোদা আছে, তাৰ আগত নতশীৰ কৰিলে, হৃদয়ত শান্তি অনুভৱ হয় আৰু পাপ ধুই নিকা হয় আৰু যদি মানৱে সকলো অনৈক্যৰ অন্ত পেলাই এক হ'ব বিচাৰে তেন্তে হ'ব পাৰিব। তাই আকৌ কয় যে, বয়াতৰ  অনুষ্ঠানত যোগ দি আবেগত চকুলো নিগৰি আহিল আৰু মই ছিজদাবনত হলোঁ আৰু মোৰ সচাঁকৈয়ে অনুভৱ হ'ল যে পাপ ধুই গৈ আছে।

ইণ্ডোনেচীয়াৰ এজনী মহিলা অতিথি, যি জনী মুছলমান মহিলা সকলৰ এটা সংগঠনৰ নেত্ৰী।তাই কয় যে মানুহে জমাত আহমদীয়াক ভ্ৰষ্ঠ আৰু কাফিৰ বুলি কয় কিন্তু প্ৰকৃততে জমাত আহমদীয়াই সচাঁ মুছলমান যি সকলে নমাজী আৰু আল্লাহ তায়লাৰ হ'ক আৰু বন্দাৰ অধিকাৰ উত্তম ভাৱে আদায় কৰি আছে। পৰস্পৰে পৰস্পৰক সন্মান কৰে। কথা কোৱাৰ আগতেই আচ্ছালামু আলায়কুম কয়। প্ৰত্যেক প্ৰোগ্ৰামত নীৰৱতা ও মনযোগেৰে আনুগত্যৰ সৈতে অনুসৰণ কৰি থাকে।

ইণ্ডোনেচীয়াৰ পৰা অহা এজন অ-আহমদী অতিথি (ইউনিভাৰছিটিৰ ফিলছফি ডিপাৰ্টমেণ্টৰ হেড) কয় যে, ইয়াতেই প্ৰকৃত ইছলাম আছে আৰু প্ৰকৃত ভাতৃত্ববোধ আছে। জমাত আহমদীয়া এটা বিশ্ব ব্যাপি সংগঠন, যাৰ উদাহৰণ আৰু বেলেগ কতো পোৱা নাযায়। জমাত আহমদীয়াৰ মটো বৰ উত্তম, প্ৰত্যেক হৃদয়ত আলোড়ণৰ সৃষ্টি কৰে।

গিনি কিনাকৰিৰ এখন প্ৰদেশৰ গৰ্ভণৰ ছাৰঙ বেক কামাৰা চাহাবানী কয় যে; মই এয়া বুজি পাওঁ যে জমাত আহমদীয়া এটা সুন্দৰ আৰু এজন ইমামৰ সংকেত অনুযায়ী চলি থকা জমাত। ইয়াতেই আছে ইছলামৰ সুন্দৰ আৰু মনোৰম শিক্ষা। যাৰ ওপৰত আমল কৰি আজিও এটা জমাত হিচাপে গঠিত হ'ব পাৰো। মই দোৱাৰ আবেদন জনাওঁ যে আমাৰ দেশত যেন আল্লাহ তায়লা শান্তি প্ৰতিষ্ঠিত কৰে আৰু প্ৰকৃত ইছলামৰ আমল প্ৰতিষ্ঠিত হওঁক।

গোৱেটেমালাৰ এজনী সাংবাদিকা গলিডেজ ৰমিৰেজ চাহিবায় কয় যে মই জমাত আহমদীয়া বৃটেইনৰ জলছাত যোগদান কৰি প্ৰকৃত ইছলামী শিক্ষা সম্পৰ্কে জানিব পাৰিছোঁ। মই এই শান্তিময়  ইছলামী সমাজৰ দ্বাৰা প্ৰভাৱিত হৈছোঁ আৰু মোৰ বিশ্বাস যে জমাত আহমদীয়াৰ সদস্য সকল প্ৰকৃততেই শান্তি নিৰাপত্তাৰ দৃষ্টান্ত স্বৰূপে প্ৰতিষ্ঠিত হৈ আছে।

মেক্সিকোৰ এজন নমোবাইন আলজবথ পেৰেৰা চাহিবায় কয় যে, মই জানোঁ যে, ইছলাম হ'ল শান্তিৰ ধৰ্ম। কিন্তু মোৰ পৰিয়ালৰ লোকে মোক ইয়ালৈ অহাত বাধা দিছিল আৰু মোক ভয় দেখুৱাইছিল। কিন্তু ইয়ালৈ অহাৰ পিছত মই তাৰ বিপৰীত দেখিবলৈ পাইছোঁ। তাই কয় যে বিমান বন্দৰত ৰিছিপচন কৰাৰ পৰা জলছাৰ তিনিটা দিন লৈকে স্বেচ্ছাকৰ্মী সকলৰ উৎসা-আবেগ আৰু আচৰণ দেখি মই বাৰুকৈয়ে মুগ্ধ হৈছোঁ।

মেক্সিকোৰ আন এজনী নমোবাইন লুৱাবৰতিছ ছুবেৰানুছ চাহিবা কয় যে স্বেচ্ছাকৰ্মী সকলে মাজে সময়ে মোৰ কথা বুজি পোৱা নাছিল কিন্তু ভাষাৰ পাৰ্থক্যই আহমদী সকলৰ লগত সম্পৰ্ক গঢ়াত বাধা দিব নোৱাৰে। খোদা প্ৰেম আমাক এক

বনাই দিছে। মোৰ এনে উপলব্ধি হৈ আছে যে মই যেনিবা মোৰ পৰিয়ালৰ সৈতে আছো। খলিফা ওয়াক্তৰ খোতবা শুনি মই নিজকে গমি চাইছো যে কোন কোনূ দুৰ্বলতা মোৰ মাজত ৰৈ আছে আৰু এতিয়া মোৰ বিশ্বাস যে মই সঠিক স্থানতেই আছো। খোদা তায়লা মোক হিদায়েতৰ বাট দেখুৱাইছে। মোৰ মনৰ ইচ্ছা যে যেনেকৈ মোৰ ঈমান ঠিক হৈছে মোৰ পৰিয়ালে ইছলাম সম্পৰ্কে জানি লওঁক আৰু তেওঁলোকৰ ঈমানও ঠিক হওঁক।

কেমেৰুণৰ মহম্মদ মুবাহ আজিজ চাহাবে কয় যে, খলিফা ওয়াক্তে মহিলা সকললৈ যি ভাষণ, প্ৰদান কৰিছিল সেয়া আমাৰ নৱ প্ৰজন্মৰ বাবে অতি গুৰুত্বপূৰ্ণ। ছোচিয়েল মিডিয়াত এই বোৰ কথা প্ৰচাৰ হোৱা অতি প্ৰয়োজন। যদি আমি আমাৰ ল'ৰা ছোৱালীক এনেকুৱা পৰিবেশৰ পৰা আঁতৰাই নাৰাখো তেন্তে তেওঁলোকে মানৱতাবাদ আৰু ইছলামৰ পৰা আঁতৰি পৰিব। এই শিক্ষা আমি নিজৰ কৰি লব লাগিব। আকৌ কয় যে হুযুৰ (আইঃ) য়ে নিৰ্লজ্জতা সম্পৰ্কে যি ভাষণ বা তফছিৰ শুনাইছে, সেয়া বৰ মনোগ্ৰাহী। যদি আমি হুযুৰ (আইঃ) ৰ এই ব্যাখ্যা বুজি লওঁ আৰু ইয়াৰ ওপৰত আমল কৰো তেন্তে আমি আমাৰ নৱ প্ৰজন্মক এটা নিকা সমাজ প্ৰদান কৰিব পাৰিম। এই নিৰ্লজ্জতা সম্পৰ্কে ভাষণে মোক জোকাৰি গৈছে। এয়া এনেকুৱা এটা ব্যাখ্যা, যাক মই চিৰ লগৰীয়া বনাই ৰাখিম।

ফিলিপাইনৰ জাৰিছ কৰনিউ চাহাব (টি.ভি চ্যানেল এ.বি.এইচ.ছি.বি ইনৰ জৰিয়তে পূৱাৰ দৰ্শনৰ কৰ্মী) কয় যে এয়া মোৰ জীৱণৰ প্ৰথম সুযোগ যে মই এনেকুৱা বিভিন্ন দেশৰ আৰু ৰঙ বংশৰ লোক একে ঠাইতে জমা হোৱা দেখিবলৈ পাইছো। মই এজন সাংবাদিক হিচাপে বহুতো জলছা মই দেখিবলৈ সুযোগ পাইছো, কিন্তু যি ধৰণে শান্তি শৃংখলাৰ সৈতে বৃটেইনৰ জলছাৰ প্ৰগ্ৰাম চলিছে, ইয়াৰ উদাহৰণ মই আগতে কতো দেখা নাই। এই জলছায় মোৰ জ্ঞান দৃষ্টি আগৰ তুলনাত অধিক খুলিছে আৰু মোক এটা স্বতন্ত্ৰ দৃষ্টি দান কৰিছে। ইয়াৰ ফলস্বৰূপে মই এটা নতুন ৰীতি নীতি, আদৰ ৰীতি-নীতিৰ পৰা ভিন্ন।

কানাডাৰ পৰা ইণ্ডিজেনচ লোকৰ এটা দল জলছাত যোগদান কৰিছিল। তেওঁলোকে নিজৰ দেশৰ পৰম্পৰা গত ডাঙৰ তাজ (মুকুট) মুৰত পিন্ধি আহিছিল তেওঁলোকৰ তিনি দলপতি আৰু যুৱনেতা মিক্স ফন্তে কয় যে খুদ্দাম সকলৰ স্বেচ্ছা সেৱাই আমাক বৰকৈ মোহিত কৰিছে। আমি দেশলৈ খুৰি গৈ অতি সোনকালে আহমদী যুৱক আৰু ফাৰ্ষ্ট নেশ্বনৰ যুৱক সকলৰ সৈতে মিলি প্ৰোগ্ৰাম কৰিম। আহমদী ডেকা চামব দৰে শৃংখলা, সতৰ্কতা আমি বেলেগ সম্প্ৰদায়ত দেখিবলৈ পোৱা নাই। তেওঁলোকৰ এজন প্ৰধান নেতা ৰুগুৰিক মিন চাহাবে কয় যে মোৰ ধুম পান কৰাৰ অভ্যাস আছে আৰু ধুম পান কৰা আমাৰ ধৰ্মৰ এটা বুনীয়াদী স্তম্ভ আৰু ইয়াক আধ্যাত্মিকতাৰ বাবে ভাল বুলি ভৱা হয়। কিন্তু যেতিয়া খলিফা ওয়াক্তে ধুম পান ত্যাগ কৰাৰ কথা কয় তেতিয়া মই শপত লৈছো যে জলছাৰ এই দিনকেইটাত ধুম পান নকৰো। মই মোৰ প্ৰতিশ্ৰুতিত অটুট আছো। আকৌ তেওঁ কয় যে খলিফা ওয়াক্তৰ ভাষণ শুনি মোৰ মনত এই ভাৱৰ উদয় হৈছে যে, যদি ইছলামৰ শিক্ষা মৰম চেনেহ, শান্তি বিস্তাৰ কৰা আৰু মানৱলৈ সহানুভুতি হয়, যেনেকৈ খলিফা ওয়াক্তে তেন্তে মই নিশ্চয় এজন আহমদী মুছলমান হোৱাটো পছন্দ কৰিম।

আকৌ ফাষ্টিনেশ্বনৰ এজন প্ৰধান, লিগ ৰাওচায়েলে কয় যে, মৰম চেনেহ আৰু সন্মান আমি এই জলছাত পাইছো সেয়া আমাৰ পুৰণি শিক্ষাৰ সৈতে মিল আছে। যেনেকৈ আমি পৰস্পৰে মৰম চেনেহ আৰু ভাতৃত্বপূৰ্ণ হিচাপে থাকি আমাৰ সকলো প্ৰয়োজন, অভাৱ দুৰ কৰা হৈছে। ঠিক তেনেকৈয়ে মই জমাত আহমদীয়াতত দেখিবলৈ পাইছো যে, এওঁলোকে পৰস্পৰে কাজিয়া বিবাদ নকৰে আৰু তৰ্ক বিতৰ্কও নকৰে অথবা পৰস্পৰে এজনে আনজনৰ বিৰুদ্ধে কথা নকয়।

জামাইকাৰ এজনী অ-আহমদী মহিলা আওৰেডা আলজবথ চাহিবা জলছাত যোগদান কৰি কয় যে, মোৰ এই বিষয়টো বৰ ভাল লাগিছে যে মহিলা আৰু পুৰুষ পৃথক-পৃথক আছিল। যাৰ ফলত মানুহৰ মনযোগ অক্ষুন্ন আছিল আৰু লোকে ইছলাম আৰু ইবাদতৰ প্ৰতি বেছি মন দিব পাৰিছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, গতিকে আহমদী মহিলা সকলৰ মাজত যিজনীয়ে কোনো ধৰণৰ জটিলতাত পৰিছে তাই নিজেও এই মন্তব্যখিনি ভাৱি চোৱা উচিত।

ইটালিৰ প্ৰফেছৰ ৰফায়ে লাজি চাহাব, যিজন এটা অধ্যয়ন কেন্দ্ৰৰ ডিৰেক্টৰ, কয় যে, বয়াত গ্ৰহনৰ সময়ছোৱাত আহমদী সকলৰ ঈমানৰ অৱস্থা যেনেকুৱা আছিল সেয়া বেলেগেও উপলব্ধি কৰিব পাৰিছে। মই মনোবিজ্ঞান পঢ়িছো। মই মানুহৰ চাল-চলন আৰু আচাৰ আচৰণ চাই কিমাদূৰ প্ৰতিষ্ঠিত আৰু আহমদী সকলক চাই মোৰ বিশ্বাস হৈছে যে

আপোনালোকৰ ঈমানৰ মান বহুত উন্নত।

আন এজন অতিথি লিণ্ট আওমেলাইন কয় যে, এই বছৰ এয়া প্ৰথমবাৰ বছৰেকীয়া জলছাত অংশ গ্ৰহন কৰাৰ সুবিধা পাইছো। মই ভাৱো যে যি সকলে আল্লাহ তায়লাৰ বিষয়ে কম জ্ঞান ৰাখে, তেওঁলোকে জলছাত আহি যোগদান কৰক। জলছাৰ শেষত তেওঁলোকে এই বিষয়ে জ্ঞানৰ সমুদ্ৰলৈ ওভতিব পাৰিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে জলছাৰ ইলেকট্ৰনিক আৰু প্ৰিণ্ট মিডিয়াৰ কুৰেজ বৰ্ণনা কৰোঁতে কয় যে, আল্ ইছলাম ওয়েব ছাইটৰ মাধ্যমত ৮ লাখ ৬২ হাজাৰ বাৰ বিজিট কৰা হৈছে আৰু ২ লাখ ১৮ হাজাৰ লোকে ভিডিও দেখিছে। আন লাইন আৰু প্ৰিণ্ট মিডিয়াত ৫৩ টা খবৰ ছপা কৰা হৈছে, ১২০ টা ৰেডিও খবৰ প্ৰচাৰ হৈছে আৰু টিভিত চাৰিটা খবৰ প্ৰচাৰ কৰা হৈছে। এনেদৰে মুঠ ৰিপোৰ্ট হৈছে ৭০ টা, যাৰ মাধ্যমত ২৬ মিলিয়নতকৈ বেছি মানুহলৈ পয়গাম (বাৰ্তা) প্ৰেৰণ কৰা হৈছে।

আফ্ৰিকাৰ পৰা ১৫ খন টি ভি চ্যানেলে বৃটেইনৰ জলছাৰ (প্ৰোগ্ৰাম প্ৰচাৰ কৰিছে। সমুহীয়া ভাৱে ৫০ মিলিয়ন মানুহে আফ্ৰিকাত জলছাৰ প্ৰোগ্ৰাম দেখিছে। তাৰে পৰা শ-শ মন্তব্য পোৱা গৈছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে জলছাৰ কৰ্মী সকলক উৎসাহীত কৰি কয় যে, সকলো স্বেচ্ছা কৰ্মীয়ে এটা নীৰৱ তবলিগৰ কাম সম্পাদন কৰিছে। ইয়াত নাৰী, পুৰুষ, ল'ৰা, ছোৱালী সকলোৱে অংশ গ্ৰহন কৰিছে। এই বাৰ জলছাত যোগদানকাৰী সকলে ব্যক্ত কৰিছে যে, জলছাৰ সমুহ কৰ্মীবৃন্দ সকলৰ মাজত অফুৰন্ত আনন্দ চৰিত্ৰৰ উত্তম আচৰণ দেখিবলৈ পোৱা গৈছে। এওঁলোকৰ খিদমতৰ আগ্ৰহ অসাধাৰণ আছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে জলছাত যোগদান কৰা সকলোকেই আল্লাহ তায়লাৰ কৃতজ্ঞতা জ্ঞাপনৰ পিছত এই সকল আলপৈচানকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰা উচিত আৰু এওঁলোকৰ নিমিত্তে দোৱা কৰা উচিত যে আল্লাহ তায়লা যেন এওঁলোকক ভৱিষ্যতলৈ আৰু খিদমত কৰাৰ তৌফিক দান কৰে।

মই সকলো সেৱক সেৱীকালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। আল্লাহ তায়লা এওঁলোকক উত্তম পুৰুস্কাৰ দান কৰক আৰু ভৱিষ্যতলৈ আৰু বেছি খিদমত কৰাৰ তৌফিক দান কৰক। আল্লাহ তায়লা এওঁলোকক সদায় খিলাফতে আহমদীয়াৰ সহায়ক হিচাপে প্ৰতিষ্ঠিত ৰাখক। (আমিন)

**********

| **Assamese Khulasa Khutba Jumma Huzoor Anwar 10 August 2018** |
| --- |
| **To** **(BOOK POST PRINTED MATTER)**<br>----------------------------------------<br>----------------------------------------<br>---------------------------------------- |
| **From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844** |